মাহত এই পোষ্টকাৰ্ড ফটোৰ বিক্ৰীৰ ব্যৱস্থা কৰি বিপণি মুকলি কৰে। এইখনেই প্ৰথম সংগ্ৰহালয় বিপণি। ব্ৰিটিছ মিউজিয়ামে ৯২,০০০ বৰ্গমিটাৰ ঠাই আৱৰি আছে।

ব্ৰিটিছ মিউজিয়ামত সোমাই প্ৰথমে চকু পৰিব ৰছেটা ষ্টন (Rosetta Stone); ই গ্ৰেনাইটেৰে নিৰ্মিত। খ্ৰিষ্টপূৰ্ব ১৯৬ত এই শিলালিপিত ৰজাই কৰা ভাল কামৰ আভাসৰ তালিকা আছে। এই গ্ৰেনাইট পাথৰৰ ৰছেটো ষ্টন ওজনত ৭৬০ কিল'গ্ৰাম, দ্বিতীয় মহাযুদ্ধৰ সময়ত ইয়াক তাৰ পৰা আঁতৰাই নিৰাপত্তাৰ খাতিৰত টিডৰ ষ্টেশ্যনত লুকুৱাই থৈছিল। বহুজনৰ মতে—ব্ৰিটিছ মিউজিয়ামেই হৈছে চুৰ কৰি অনা সম্পদৰ পৃথিৱীৰ আটাইতকৈ ডাঙৰ ভঁৰাল। আনকি বেছি সংখ্যক লুট কৰি নিয়া সম্পদ এতিয়াও জনসাধাৰণৰ চকুৰ আঁতৰত ৰাখিছে।

ব্ৰিটিছ মিউজিয়ামত থকা সম্পদসমূহৰ সংগ্ৰহৰ ক্ষেত্ৰত শতাধিক ব্যক্তি জড়িত হৈ আছে। কিছুমান সম্পদ মানুহে দান হিচাপে দিছিল বা মিউজিয়ামক বিক্ৰী কৰি দিছিল। বেছিখিনি সম্পদেই অভিযান চলাই বিভিন্ন দেশৰ পৰা সংগ্ৰহ কৰিছিল। মিউজিয়ামটো স্থাপন কৰাৰ ক্ষেত্ৰত জড়িত ব্যক্তিসকল হৈছে—ছাৰ হান্স স্ল'ন, বেৰ'নেট, ছাৰ এন্থনি পানিজি, ৰিচাৰ্ড গাৰ্নেট, ছাৰ আগষ্টাছ ৰ'লেষ্ট্ৰন ফ্ৰেংকছ আৰু ছাৰ ৱালিছ বাজ। প্ৰাৰম্ভিক অৱস্থাত তিনিজন ব্যক্তিৰ সংগৃহীত বস্তুৰে মিউজিয়াম আৰম্ভ কৰা হয়। তেওঁলোক হৈছে ছাৰ হান্স স্ল'ন, ৰবাৰ্ট হাৰ্লি আৰু ৰবাৰ্ট কটন। এইখিনিতে এজন ব্যক্তিৰ নাম ল'বই লাগিব তেওঁ হৈছে ছাৰ মেয়াৰ অৰিয়েল ষ্টেইন। কুৰি শতিকাত তেওঁ অভিযান চলাইছিল ছিল্ক পথত (Silk Route)। ১৯০০ চনৰ পৰা ১৯৩০ চনৰ ভিতৰত কৰা চাৰিটা অভিযানত বৃহৎসংখ্যক সম্পদ সংগ্ৰহ কৰিছিল। সৰহসংখ্যক ব্ৰিটিছ মিউজিয়ামত সংৰক্ষণৰ বাবে আগবঢ়াইছিল। এই অভিযান ভাৰত চৰকাৰ, বংগ আৰু পঞ্জাব চৰকাৰৰ অৰ্থ সাহায্যত হোৱা হেতুকে চুক্তি কৰা হৈছিল কিছুসংখ্যক সম্পদ নতুনকৈ স্থাপন কৰা ভাৰতৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ত (Indian National Museum) দিব। মুঠ ১২,০০০টা সম্পদ এতিয়াও ভাৰতৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ত (Indian National Museum New Delhi) আছে। এবাৰ ব্যক্তিগতভাৱে এই মিউজিয়ামলৈ গৈ ষ্টেইনে (Stein) সংগ্ৰহ কৰা বহু আৰ্ট, মূৰ্তি চোৱাৰ সৌভাগ্য হৈছিল। পৰাধীন হৈ থকা অৱস্থাত ভাৰতৰ পৰাও কিমান বস্তু ব্ৰিটিছে লৈ গ'ল তাৰ লেখ-জোখ নাই। সাধাৰণতে আমাৰ মনলৈ আহে—মিউজিয়ামত থকা অসমৰ বৃন্দাৱনী বস্ত্ৰই (ষোড়শ শতিকা) যেন অতি পুৰণি বস্ত্ৰ। কিন্তু চীনদেশৰ পৰা সংগ্ৰহ কৰি নিয়া বস্ত্ৰও (নৱম আৰু দশম শতিকা) মিউজিয়ামত আছে। তদুপৰি পঞ্চম আৰু ষষ্ঠ শতিকাত বগা আৰু ৰঙা ৰঙেৰে পাট কাপোৰত ড্ৰেগনৰ ছবিৰ সৈতে বৈ উলিওৱা চীনদেশৰ দুখন ত্ৰিকোণীয়া বস্ত্ৰও ষ্টেইনে সংগ্ৰহ কৰিছিল। এনেধৰণৰ ভালেমান চীনদেশীয় বোৱা আৰু নানান ৰঙীন সূতাৰে চিলাই কৰা বস্ত্ৰ ব্ৰিটিছ মিউজিয়ামত সংগৃহীত হৈ আছে।

কেৱল কোহিনুৰেই নহয় ব্ৰিটিছে ভাৰতবৰ্ষৰ পৰা বহু ঐতিহাসিক সম্পদ সংগ্ৰহ কৰি ব্ৰিটিছ মিউজিয়ামত প্ৰদৰ্শনৰ বাবে ৰাখিছে। সেইসমূহৰ ভিতৰত আছে—

১। টিপু চুলতানৰ আঙঠি আৰু তৰোৱাল। অৱশ্যে তৰোৱালখন ২০০৪ চনত বিজয় মালিয়াই ১.৫৭ কোটি টকাত নিলামত ক্ৰয় কৰি ভাৰতলৈ ঘূৰাই আনিলে। কিন্তু আঙঠিটো মিউজিয়ামতে আছে। এই আঙঠি সম্পৰ্কে কিছু মতানৈক্য আছে, কাৰণ আঙঠিটোত দেৱনাগৰী লিপিত 'ৰাম' লিখা আছে।

২। ব্ৰিটিছ মিউজিয়ামত ২ মিটাৰ ওখ এটা বুদ্ধৰ মূৰ্তিও আছে; এইটোৰ ওজন ৫০০ কিল'গ্ৰাম। এই মূৰ্তিটো তৈয়াৰ কৰাৰ সাতশ বছৰ পাছত ই বি হেৰিছ (E B Harish) নামৰ এজন ব্ৰিটিছ ইঞ্জিনিয়াৰে ১৮৬২ চনত ৰে'ললাইন নিৰ্মাণৰ সময়ত লাভ কৰিছিল।

৩। অমৰাৱতী মাৰ্বল (The Amravati Marbles) ঃ ১৮৭৯ চনত তেতিয়াৰ মাদ্ৰাজৰ পৰা এই ভাস্কৰ্য সংগ্ৰহ কৰিছিল। এই ভাস্কৰ্য এশ চনতে নিৰ্মিত বুলি অনুমান কৰা হৈছে।

৪। টিপুৰ বাঘ (Tipu's Tiger) ঃ লাইফ ছাইজৰ এই বাঘটো কাঠেৰে নিৰ্মিত আছিল।

৫। নাছাক হীৰা (The Nassak Diamond) ঃ ৰংবিহীন এই হীৰা টুকুৰাৰ জোখ ২৩.৩৫ মিলিমিটাৰ×২১.৭৩ মিলিমিটাৰ×১১.৫১ মিলিমিটাৰ।

৬। মহাৰাজ ৰঞ্জিৎ সিঙৰ সোণৰ চকী।

৭। ছাহজাহানৰ কাপ (The Royal Jade Wine Cup) : এইটো ছাহজাহানে ১৬৫৭ চনত তৈয়াৰ কৰাইছিল।

৮। অম্বিকা মূৰ্তি ঃ ১৮৭৫ চনত দেৱী অম্বিকা মূৰ্তি ভাৰতৰ পৰা নি ব্ৰিটিছ মিউজিয়ামত সংৰক্ষণ কৰিছে। মধ্য প্ৰদেশৰ সৰস্বতী মন্দিৰলৈ এই মূৰ্তি ঘূৰাই অনাৰ বাবে দাবী জনাই আহিছে। তদুপৰি অন্যান্য বহুতো মূৰ্তি তথা সম্পদ ব্ৰিটিছ মিউজিয়ামত প্ৰদৰ্শন কৰি থৈছে। এইসমূহৰ ভিতৰত বিষ্ণুৰ নানান ৰূপৰ মূৰ্তি, ৰাম-লক্ষ্মণ, ৰাৱণ, শিৱ-পাৰ্বতী, গণেশ, বুদ্ধ এই সকলোৰে একাধিক মূৰ্তি মিউজিয়ামটোত আছে।

ভাৰতৰ ওড়িশা, বংগ, ৰাজস্থান, মধ্য প্ৰদেশ আৰু দাক্ষিণাত্যৰ পৰা বিভিন্ন সামগ্ৰী সংগ্ৰহ কৰাৰ কথা উল্লেখ আছে। এটা কথাত আমি সকলো একমত হ'ব লাগিব যে ব্ৰিটিছ মিউজিয়ামে পৃথিৱীৰ মানৱ ইতিহাস আৰু সংস্কৃতিক সুন্দৰকৈ সাবটি আছে। তাৰ ফলত পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ দৰ্শনাৰ্থীয়ে উপভোগ কৰিবলৈ ই এটা কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈছে।

ঠিকনা ঃ অধ্যক্ষ, এছ কে হাজৰিকা কলেজ, ৰাধাগোবিন্দ বৰুৱা পথ, গুৱাহাটী-৭৮১০০৫, ফোন ঃ ৯৪৩৫০৪৫৬৩৬


## প্ৰান্তিকৰ লেখক-লেখিকালৈ অনুৰোধ

● লেখক-লেখিকাসকলে আমালৈ কোনো লেখা পঠিয়ালে লেখাটোৰ প্ৰতিলিপি এটা নিজৰ হাতত ৰাখিবলৈ অনুৰোধ কৰা হ'ল।

● অপ্ৰকাশিত লেখা যথা সময়ত ওভতাই পাবলৈ হ'লে লেখাটোৰ লগতে নিজৰ সম্পূৰ্ণ নাম, ঠিকনা লিখা লেফাফাত উপযুক্ত ডাক টিকেট লগাই পঠাব লাগে। অপ্ৰকাশিত লেখা সংৰক্ষণ কৰা নহয়।

● যোগাযোগৰ সুবিধাৰ বাবে লেখাৰ লগত পিন ক'ডসহ লেখক-লেখিকাৰ সম্পূৰ্ণ ঠিকনা আৰু ফোনৰ নম্বৰ থকা উচিত।

**● ফোন যোগে কোনো লেখাৰ প্ৰাপ্তিস্বীকাৰ অথবা লেখাটো প্ৰকাশ হ'বনে নহয়, হ'লে কেতিয়াকৈ হ'ব—আদি প্ৰশ্নৰ উত্তৰ দিয়াটো আমাৰ বাবে সম্ভৱপৰ নহয়।**

● এইক্ষেত্ৰত আমি সকলোৰে সহযোগিতা কামনা কৰিলোঁ।

● প্ৰবন্ধ-পাতি তলৰ ঠিকনাতহে পঠাবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, প্ৰান্তিক**
নৱগিৰি পথ, চানমাৰি,
গুৱাহাটী-৭৮১ ০০৩